**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 05-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মেলিনে আজি নতুন দিল্লীত দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে ভাৰতৰ সুৰক্ষা আৰু আঞ্চলিক অখণ্ডতালৈ ভাবুকি অহাৰ সময়ত ৰাছিয়াই বিভিন্ন প্ৰকাৰে ভাৰতৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসমৰ ডিব্ৰুগড়ৰ বগীবিল টাৰ্মিনেলৰ পৰা প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় মালবাহী জাহাজৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব।

৪। মন্ত্ৰী ডাঃ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত সপ্তদশ পেন্সন আদালতত অধ্যক্ষতা কৰিব।

*আৰু*

৫। ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে এছিয়ান গেমছত সুন্দৰ প্ৰদৰ্শন কৰা ভাৰতীয় এথলীটসকলক শুভেচ্ছা জনাইছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মেলিনে আজি নতুন দিল্লীত দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। শীৰ্ষ বিষয়া আৰু ব্যৱসায় নেতাসকলৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ সৈতে ৰাষ্ট্ৰপতি পাৰ্মেলিন তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতলৈ আহিব। প্ৰধানমন্ত্ৰী মোদী আৰু ৰাষ্ট্ৰপতি পাৰ্মেলিনে বাণিজ্য আৰু বিনিয়োগ, বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱন, সংস্কৃতি, জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি বিভিন্ন বিষয়ত দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। তেওঁলোকে লগতে আঞ্চলিক আৰু গোলকীয় বিষয়তো মত বিনিময় কৰিব। ৰাষ্ট্ৰপতি পাৰ্মেলিনে আজি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। উল্লেখযোগ্য যে ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতিগৰাকীয়ে চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত নতুন দিল্লীত অনুষ্ঠিত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ সন্মিলনত অংশগ্ৰহণৰ বাবে ভাৰতলৈ আহিছিল। ভাৰত আৰু ছুইজাৰলেণ্ডত মাজত দীৰ্ঘদিনীয়া মিত্ৰতাৰ সম্পৰ্ক আছে। দেশখনৰ ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থ সম্বলিত নতুন নতুন খণ্ডত সহযোগিতা সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে যেতিয়া ভাৰতৰ সুৰক্ষা আৰু আঞ্চলিক অখণ্ডতালৈ ভাবুকি আহিছিল তেতিয়া ৰাছিয়াই বিভিন্ন প্ৰকাৰে ভাৰতৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। নতুন দিল্লীত অনুষ্ঠিত ৬২ সংখ্যক মিউনিখ সুৰক্ষা সন্মিলনত ভাষণ দি ড০ জয়শংকৰে কয়, যে যেতিয়া বিশ্বৰ কেইবাখনো দেশে ভাৰতৰ চুবুৰীয়া দেশত সামৰিক শাসনৰ সমৰ্থন কৰিছিল তেতিয়া ৰাছিয়াৰ সৈতে ভাৰতৰ সম্পৰ্ক ভাল আছিল। ভাৰত-ৰাছিয়াৰ সম্পৰ্ক এই ঐতিহাসিক দিশসমূহৰ জৰিয়তে গঢ় লৈ উঠিছে

বুলি ড০ জয়শংকৰে মন্তব্য কৰে। তেওঁ কয়, যে বৰ্তমান দ্বিপাক্ষিক সম্পৰ্কৰ ব্যাপক প্ৰসাৰ ঘটিছে আৰু ই অৰ্থনৈতিক সম্পৰ্কৰ ৰূপ লৈছে। দুয়োখন দেশৰ মাজত সম্প্ৰতি সামৰিক, পৰমাণু আৰু মহাকাশ সহযোগিতাৰ লগতে বৃহৎ পৰিমাণত বাণিজ্য আৰু বিনিয়োগো হৈ আছে বুলি ড০ জয়শংকৰে উল্লেখ কৰে।

**বাইট (জয়শংকৰ)-১**

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ৰাছিয়া-ইউক্ৰেইন সংঘৰ্ষক দুৰ্ভাগ্যপূৰ্ণ বুলি অভিহিত কৰি কয়, যে ভাৰতে এই সংঘৰ্ষৰ অন্ত পৰাটো বিচাৰে আৰু এইক্ষেত্ৰত ভাৰতৰ স্থিতি অতি স্পষ্ট। এই সংঘৰ্ষৰ অন্ত পৰাৰ বাবে আলোচনা আৰু কূটনীতিৰ প্ৰয়োজন বুলি তেওঁ উল্লেখ কৰে। বিগত কেইটামান মাহত ভাৰতে কেৱল শান্তি আহ্বানৰ পৰিৱৰ্তে এইক্ষেত্ৰত যথেষ্ট আগবাঢ়িছে বুলি স্বীকাৰ কৰি ড০ জয়শংকৰে কয়, যে ভাৰতে ৰাছিয়া আৰু ইউক্ৰেইন দুয়ো দেশৰ সৈতে আলোচনা কৰি ইয়াৰ সমাধানৰ ক্ষেত্ৰত সহায়ৰ চেষ্টা কৰিলে। এই প্ৰয়াসৰ আৰম্ভণি হিচাপে ব্লেক চি-ত জাহাজৰ সুৰক্ষিত চলাচলত গুৰুত্ব দিয়া হয় বুলি তেওঁ প্ৰকাশ কৰে।

**বাইট (জয়শংকৰ)-২**

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসমৰ ডিব্ৰুগড়ৰ বগীবিল টাৰ্মিনেলৰ পৰা দিনৰ ১১ বজাত প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় মালবাহী জাহাজৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ভাৰ্চুৱেল ব্যৱস্থাৰে এই অনুষ্ঠানত অংশ ল'ব। অসম পেট্ৰ'কেমিকেল লিমিটেডৰ পৰা মিথানল কঢ়িয়াই নিবলগীয়া জাহাজখনে বগীবিলৰ পৰা বাংলাদেশৰ ঢাকাৰ পানগাঁও বন্দৰলৈ যাত্ৰা কৰিব। মালবাহী জাহাজখনে ব্ৰহ্মপুত্ৰৰ ৰাষ্ট্ৰীয় জলপথ ২ আৰু ভাৰত-বাংলাদেশ প্ৰট'কল জলপথ ব্যৱহাৰ কৰিব। দেশৰ স্বাধীনতাৰ পাছত প্ৰথমবাৰৰ বাবে ডিব্ৰুগড়ৰ পৰা বিদেশৰ বন্দৰলৈ সামগ্ৰী প্ৰেৰণ কৰা হ'ব। অসমৰ নদী বাণিজ্যৰ পুনৰুদ্ধাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ আভ্যন্তৰীণ জলপথ ব্যৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত এয়া গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। উল্লেখযোগ্য যে স্বাধীনতাৰ পূৰ্বে ডিব্ৰুগড়ে গুৰুত্বপূৰ্ণ নদী বন্দৰ হিচাপে উজনি অসমক ব্ৰহ্মপুত্ৰৰ জৰিয়তে গোলকীয় বজাৰৰ সৈতে কৰিছিল। এই আৰম্ভণিয়ে গুৰুত্বপূৰ্ণ যোগাযোগক পুনৰ প্ৰতিষ্ঠা কৰি উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আভ্যন্তৰীণ জলপথক সুলভ, সেউজ আৰু সুচল পৰিবহণ হিচাপে বিকশাই তোলাৰ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে।

০০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি আৰু পেন্সন দপ্তৰৰ মন্ত্ৰী ডাঃ জীতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত সপ্তদশ পেন্সন আদালতত অধ্যক্ষতা কৰিব। কৰ্মচাৰী, ৰাজহুৱা ওজৰ আপত্তি আৰু পেন্সন মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে জ্যেষ্ঠ পেন্সনাৰ আৰু পেন্সনভোগী পৰিয়ালসমূহৰ ৮৯৭টা দীৰ্ঘদিনীয়া ওজৰ-আপত্তিৰ গোচৰ নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা হ'ব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ডাঃ সিঙে চলিত বছৰৰ ১৩ মে'ত অনুষ্ঠিত ষোড়শ পেন্সন আদালতৰ সফলতাৰ বিষয়ে বৰ্ণিত প্ৰচাৰ-পত্ৰিকা মুকলি কৰিব। এই অনুষ্ঠানতে পেন্সনভোগী পৰিয়ালসমূহে সন্মুখীন হোৱা বিভিন্ন বিষয় সাঙুৰি এখন পুস্তিকাও মুকলি কৰা হ'ব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে পেন্সন আদালতত ২৮ হাজাৰ ৭৯৭টা ওজৰ-আপত্তিৰ গোচৰৰ ভিতৰত ২০ হাজাৰ ৬৭৬টা থিতাতে নিষ্পত্তি কৰা হৈছে। ২০১৭ চনত এই আদালত আৰম্ভ হোৱাৰ পৰা ১৬টা সংস্কৰণত লাভ কৰা সফলতাৰ হাৰ ৭১ দশমিক ৭-৯ শতাংশ বুলি মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে।

00000

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় যুৱ মঞ্চ মাই ভাৰতৰ জৰিয়তে কালি দেশৰ ১৫০টাৰো অধিক স্থানত নিচামুক্ত পদযাত্ৰাৰ আয়োজন কৰে। এই পদযাত্ৰাত এক লাখৰো অধিক যুৱক-যুৱতী আৰু আন নাগৰিকে অংশগ্ৰহণ কৰে। বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱ অভিযানৰ অংশ হিচাপে আয়োজন কৰা এই পদযাত্ৰাৰ জৰিয়তে মাদক দ্ৰব্যৰ অপকাৰিতাৰ বিষয়ে সজাগতাৰ সৃষ্টি তথা সুস্থ আৰু নিচামুক্ত জীৱন শৈলীৰ প্ৰসাৰৰ প্ৰয়াস কৰা হয়। পদযাত্ৰাত অংশগ্ৰহণকাৰীসকলে ৩ৰ পৰা ৫ কিলোমিটাৰ খোজকঢ়া, বাটৰ নাট, শ্ল’গান লিখা আৰু ঐতিহ্য যাত্ৰাৰ দৰে বিভিন্ন সজাগতামূলক কাৰ্যসূচীত ভাগ লয়। বিভিন্ন ঠাইত নিচামুক্ত যুৱৰ শপতবাক্যও পাঠ কৰোৱা হয়।

00000

ভাৰত আৰু কানাডাই আজি অট’ৱাত প্ৰস্তাৱিত বিস্তৃত অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি (চিইপিএ)ৰ বাবে পঞ্চম পৰ্যায়ৰ আলোচনা আৰম্ভ কৰিব। দুয়োপক্ষই চলিত বৰ্ষৰ শেষৰ ফালে বাণিজ্য চুক্তি সমাপন কৰাৰ লক্ষ্য লৈছে। এই পাঁচদিনীয়া আলোচনা চলিত মাহৰ ৯ তাৰিখলৈকে অব্যাহত থাকিব। যোৱা মাহৰ ১৮ তাৰিখে নতুন দিল্লীত পূৰ্বৰ পৰ্যায়ৰ সামৰণি পৰে।

চলিত বৰ্ষৰ মাৰ্চ মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীয়ে দুয়োখন দেশৰ মাজত চিইপিএৰ বাবে আলোচনা সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত এই বছৰৰ শেষৰ ফালে লক্ষ্য নিৰ্ধাৰণ কৰিছিল আৰু নতুন দিল্লীত হোৱা বৈঠকত শক্তি আৰু জটিল খনিজ খণ্ডত দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰিবলৈ সন্মত হৈছিল। তেওঁলোকৰ শীৰ্ষ সন্মিলনৰ পাছত প্ৰকাশিত যৌথ বিবৃতি অনুসৰি নেতাসকলে আস্থা প্ৰকাশ কৰে যে বিস্তৃত বাণিজ্যিক কাঠামোৱে অংশীদাৰিত্বৰ বাবে এটা স্থায়ী অৰ্থনৈতিক সমাধান হিচাপে কাম কৰিব আৰু ২০৩০ বৰ্ষৰ ভিতৰত দ্বিপাক্ষিক বাণিজ্য ৪.৬৫ লাখ কোটি টকালৈ সম্প্ৰসাৰণৰ আকাংক্ষাক সমৰ্থন কৰিব।

00000

দুসপ্তাহতকৈ অধিক সময়জোৰা ৰোমাঞ্চকৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত জাপানত অনুষ্ঠিত এছিয়ান গেমছৰ কালি সামৰণি পৰে। এছিয়া অলিম্পিক পৰিষদৰ অধ্যক্ষই আনুষ্ঠানিকভাৱে এই ক্ৰীড়াৰ সামৰণি ঘোষণা কৰে। খেলুৱৈসকলৰ কুচ-কাৱাজ আৰু ২০৩০ চনত কাটাৰৰ ডোহাত হ’বলগীয়া এছিয়ান গেমছৰ আয়োজক সমিতিৰ প্ৰতিনিধিক শিখা হস্তান্তৰকে ধৰি পৰম্পৰাগত প্ৰক্ৰিয়াৰে সামৰণিৰ আনুষ্ঠানিকতা সম্পন্ন হয়।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এছিয়ান গেমছত অনবদ্য প্ৰদৰ্শন আগবঢ়োৱা ভাৰতীয় এথলীটসকলক শুভেচ্ছা জনাইছে। শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে ভাৰতক প্ৰতিনিধিত্ব কৰা প্ৰতিগৰাকী সদস্যক লৈ দেশ গৌৰৱান্বিত। খেলুৱৈসকলৰ কঠোৰ পৰিশ্ৰম, দক্ষতা আৰু দৃঢ়তাই দেশলৈ গৌৰৱ কঢ়িয়াই আনিলে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশক প্ৰতিনিধিত্ব কৰা প্ৰতিগৰাকী খেলুৱৈৰ শলাগ লয়। এটা বাৰ্তাত শ্ৰীমোদীয়ে পদকজয়ী সকলোকে শুভেচ্ছা জনায়। এই ক্ৰীড়াই অনাগত দিনত আৰু অধিক সাফল্যৰ বাবে অনুপ্ৰাণিত কৰিব আৰু তৃণমূল পৰ্যায়ত ক্ৰীড়াক শক্তিশালী কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এছিয়ান গেমছত ভাৰতৰ উল্লেখনীয় সাফল্যৰ বাবে এথলীটসকলক শুভেচ্ছা জনায়। এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে এই এথলীটসকলে ভাৰতক বিশ্বৰ ক্ৰীড়া মানচিত্ৰত উজলাই তোলাৰ ক্ষেত্ৰত এখোজ আগবঢ়াই দিলে। তেওঁ খেলুৱৈসকলৰ উজ্বল ভৱিষ্যৎ কামনা কৰে।

ভাৰতে এইবাৰৰ এছিয়ান গেমছত সুন্দৰ প্ৰদৰ্শনেৰে ২১টা সোণ, ২৭টা ৰূপ আৰু ৩৭টা ব্ৰঞ্জ সহ মুঠ ৮৫টা পদকেৰে প্ৰতিযোগিতাৰ তালিকাত চতুৰ্থ স্থান দখল কৰে।

০০০০০

ফুটবলত ডিফেণ্ডিং চেম্পিয়ন মোহন বাগান ছুপাৰ জায়েণ্টে কালি কলকাতাত অনুষ্ঠিত হোৱা আই এফ এ শ্বিল্ড ২০২৬ ছেমি ফাইনেলত পঞ্জাব এফ চিক ৪-৩ গ'লত পেনাল্টিত পৰাস্ত কৰি ফাইনেলত নিজৰ স্থান নিশ্চিত কৰে।

১২০ মিনিটৰ অন্তত খেলখন গ'ল শূন্যভাৱে দ্ৰ' হোৱাৰ পাছত পেনাল্টিৰ জৰিয়তে ফলাফল নিৰ্ধাৰণ কৰা হয়। মোহন বাগানৰ হৈ ৰাহুল ভেকে, সুভাষী বসু, আলবাৰ্টো ৰড্ৰিগেজ, আৰু মিগেল ফিগুৱেইৰাই চাৰিটা গ'ল দিয়াৰ বিপৰীতে পঞ্জাব এফ চিৰ হৈ ৰাফেল মেছি বৌলি, আৰ্ছবীৰ সিং, আৰু ঋষিকান্ত মেইটেইয়ে তিনিটা গ'ল দিয়ে।

ফাইনেলত মোহন বাগান ইষ্ট বেংগল আৰু নৰ্থ-ইষ্ট ইউনাইটেডৰ মাজত অনুষ্ঠিত হ'বলগীয়া ছেমি ফাইনেলত বিজয়ী দলৰ মুখামুখি হ'ব।

০০০০০

সমাপ্ত